# জাতিপ্ৰথা (Caste System)

জাতিপ্ৰথা সম্পৰ্কে ডঃআম্বেদকাৰে তেওঁৰ মতামত পৰিষ্কাৰভাৱে ব্যক্ত কৰিছে। এইখিনিতে প্ৰথমতে ভাৰতীয় সমাজত প্ৰচলিত জাতিপ্ৰথাৰ পৰিস্থিতিক ব্যাখ্যা কৰা প্ৰয়োজন। কাৰণ, ইয়াৰ পৰাহে বুজিব পৰা যাব যে আম্বেদকাৰে কিয় জাতিপ্ৰথাৰ বিৰুদ্ধে সংগ্ৰাম কৰিবলগীয়া হৈছিল। জাতিপ্ৰথাই ভাৰতীয় সমাজব্যৱস্থাক জুৰুলা কৰি পেলাইছিল।

ভাৰতত প্ৰচলিত জাতিপ্ৰথাই দেশৰ পিছপৰা অংশৰ জনসাধাৰণৰ যথেষ্ট ক্ষতি সাধন কৰিছে। জাতিপ্ৰথাৰ কুফলসমূহ হ'ল ঃ

১। জাতিপ্ৰথাই ভাৰতত অনৈক্যৰ সৃষ্টি কৰিছে।

২। হিন্দুসমাজক বিভিন্ন গোটত ভাগ কৰিছে।

৩। অস্পৃশ্য বা দলিত সম্প্ৰদায়ৰ সৃষ্টি কৰিছে।

৪। হিন্দু সমাজত জাতীয়তাবোধ বৃদ্ধি কৰাত বাধা প্ৰদান কৰিছে।

৫। এই প্ৰথাই মানৱ স্বাধীনতা, সমতা আৰু ভ্ৰাতৃত্ববোধৰ অনিষ্ট সাধন কৰিছে।

৬। কিছুমান কু ৰীতি-নীতিৰ জন্ম দিছে, যিয়ে সমাজত অনৈক্যৰ ভাবৰ সৃষ্টি কৰিছে।

জাতিপ্ৰথাৰ পৰা সৃষ্টি হোৱা বহুতো সমস্যাৰ আম্বেদকাৰে নিজৰ জীৱনত সন্মুখীন

Scanned by CamScanner

হ'বলগীয়া হৈছিল। এই প্ৰথাই তেওঁৰ জীৱনক জুৰুলা কৰি পেলাইছিল। আম্বেদকাৰে বাস কৰা মাৰাঠা ৰাজ্যত জাতিপ্ৰথাৰ কুপ্ৰভাৱ আটাইতকৈ বেছি আছিল। পেছোৱাসকলৰ ৰাজত্বকালত বৰ্ণ হিন্দুৱে ব্যৱহাৰ কৰা আলি-পদূলী অস্পৃশ্যসকলক ব্যৱহাৰ কৰিবলৈ দিয়া নহৈছিল। অস্পৃশ্য ব্যক্তিয়ে হাতত বা ডিঙিত এডাল ক'লা সূতা বান্ধিব লাগিছিল যাতে ভুলতেও তেওঁক কোনেও স্পৰ্শ নকৰে। হিন্দুসকলৰ সকলো কাম-কাজ জাতিপ্ৰথাৰ জৰিয়তে পৰিচালনা কৰা হৈছিল। অস্পৃশ্যসকলৰ খাদ্য, পোছাক, উৎসৱ, বিবাহ, মৃত্যু, প্ৰথা, জীৱিকা, জীৱন-যাত্ৰা এই সকলোবিলাকত জাতিপ্ৰথাৰ কঠোৰ নিয়ন্ত্ৰণ আছিল। বৰ্ণহিন্দুসকল এইবিলাকৰ পৰা সদায় আঁতৰত আছিল।

আম্বেদকাৰৰ মতে অস্পৃশ্যসকল যেন এখন বেলেগ পৃথিৱীত বসবাস কৰিছিল আৰু বৰ্ণ হিন্দুসকলৰ সৈতে কোনো বিষয়তে তেওঁলোকৰ যোগাযোগ নাছিল। এই সম্পৰ্কে আম্বেদকাৰে কৈছে, "এইখনেই তেওঁলোকৰ ক্ষুদ্ৰ পৃথিৱী অথবা এইটোৱেই তেওঁলোকৰ এন্দুৰৰ গাঁত, যাৰ সদস্যপদ অকল জন্মৰ দ্বাৰাহে নিৰ্ধাৰিত হয়।" বহিৰ্জগতৰ কোনো প্ৰভাৱ এওঁলোকৰ ওপৰত পৰিবলৈ দিয়া নহৈছিল। এই সমাজত মানুহৰ অৱস্থা এনে আছিল যে এজন বৰ্ণহিন্দুৱে দেশৰ আইন ভঙ্গ কৰিবলৈ সাহ কৰিছিল, কিন্তু জাতিপ্ৰথাৰ আইন ভঙ্গ কৰাৰ কাৰো সাহস নাছিল। তেতিয়া হিন্দুসমাজৰ উচ্চবৰ্ণৰ মানুহে দেশতকৈ জাতিৰ ওপৰত অধিক গুৰুত্ব দিছিল বুলি বাবা চাহেব আম্বেদকাৰে কৈছে।

আম্বেদকাৰে জাতিপ্ৰথাৰ পৰা সৃষ্টি হোৱা উচ্চাত্মিকা আৰু নীচাত্মিকা ভাৱৰ ঘোৰ বিৰোধিতা কৰিছিল। আনকি তেওঁ হিন্দু ধৰ্মশাস্ত্ৰৰ পুথিবিলাকৰো বৈধতা, যোগ্যতা আৰু মূল্যৰ প্ৰশ্ন উত্থাপন কৰিছিল। আম্বেদকাৰৰ মতে জাতি বিনে হিন্দুৱে চিন্তা কৰিব নোৱাৰে। এইয়া হ'ল হিন্দুসকলৰ পূৰ্ণাঙ্গকাৰক অংশ। আম্বেদকাৰে কৈছে যে বহুতো আদৰ্শবান হিন্দুৱে স্বীকাৰ কৰে যে হিন্দু ধৰ্মত বহুতো দোষ আছে, কিন্তু তেওঁলোকৰ প্ৰকাশ্যে এইবিলাকৰ বিৰোধিতা কৰাৰ সাহস নাই। জাতিপ্ৰথাই হিন্দু ধৰ্মক কুপথত পৰিচালনা কৰিছে আৰু হিন্দু সমাজত চৰম অনৈক্যৰ সৃষ্টি কৰিছে। হিন্দু ধৰ্ম সম্পৰ্কে ভৱিষ্যদ্বাণী কৰি আম্বেদকাৰে কৈছিল যে, "হিন্দু ধৰ্মৰ পতন হ'ব। ই জীৱনৰ পৰিচালনা শক্তিৰ ভূমিকা ল'ব নোৱাৰিব। ই এনে এটা শূন্যতাৰ সৃষ্টি কৰিব যে ইয়াৰ দ্বাৰা হিন্দু সমাজত অনৈক্যই দেখা দিব।"

আম্বেদকাৰে মত প্ৰকাশ কৰিছে যে ভাৰতবৰ্ষই যদি এখন স্বাধীন গণতান্ত্ৰিক দেশ হিচাবে জীয়াই থাকিব বিচাৰে তেতিয়াহ'লে জাতিপ্ৰথাক যিকোনো প্ৰকাৰে বিলোপ কৰিব লাগিব। এই প্ৰথাই ভাৰতক দুৰ্বল কৰিছে আৰু ইয়াৰ জনসাধাৰণক দাসত্বৰ পিনে আগুৱাই নিছে। দলিত বা অস্পৃশ্যসকলক জাতিপ্ৰথাৰ নামত হিন্দুসমাজৰ উচ্চবৰ্গই যিদৰে নিৰ্যাতন আৰু শোষণ কৰি আহিছে তাৰ অৱসান নঘটালে ইয়াৰ ফলাফল ভয়াবহ হ'ব।

জাতিপ্ৰথা সম্পৰ্কে মতামত ব্যক্ত কৰোতে আম্বেদকাৰে কৈছে যে শূদ্ৰসকল আচলতে ভাৰতবৰ্ষৰ কৃষ্ণবৰ্ণৰ আদিম অধিবাসী নহয়। আম্বেদকাৰৰ মতে শূদ্ৰসকল ক্ষত্ৰীয় বংশধৰ আৰু সেয়ে তেওঁলোক আৰ্য। ব্ৰাহ্মণসকলৰ উৎপীড়নৰ বাবেহে শূদ্ৰসকলৰ অৱনতি হৈছে।

Scanned by CamScanner

এতিয়া এই শূদ্ৰসকলো লাহে লাহে সচেতন হৈ আহিছে। এই সম্পৰ্কে আম্বেদকাৰে মন্তব্য কৰিছে, "অস্পৃশ্য আৰু শূদ্ৰসকল যিকোনো সময়তে উদ্‌গীৰণ হ'ব পৰা আগ্নেয়গিৰিৰ দৰে। এই উদ্‌গীৰণ হ'লে দেশলৈ ধ্বংস আৰু বিনাশ আনিব। ই অকল ভাৰত আৰু এচিয়াৰ কাৰণেই নহয়, সমগ্ৰ বিশ্বৰ বাবেও শোকৰ ঘটনা হ'ব।" গতিকে আম্বেদকাৰে কৈছে যে জাতিগত পবিত্ৰতা আৰু ঈশ্বৰত্বৰ যিকোনো প্ৰকাৰে বিনাশ কৰিব লাগিব। জাতিপ্ৰথাৰ ধ্বংস এটা সংস্কাৰমূলক কাম হ'ব।

আম্বেদকাৰৰ মতে জাতিপ্ৰথা ভাৰতীয় সমাজব্যৱস্থাৰ এটা গুৰুতৰ ব্যাধি। এই ব্যাধিৰ নিৰাময় অনতিপলমে কৰা উচিত। জাতিভেদ প্ৰথাই ভাৰতীয় সমাজব্যৱস্থালৈ ধ্বংস মাতি আনিব। আম্বেদকাৰে আজীৱন এই কুপ্ৰথাৰ বিৰুদ্ধে সংগ্ৰাম কৰি গৈছে। জাতিপ্ৰথাৰ কুপ্ৰথাবিলাকক আঁতৰ কৰাত তেওঁ বহুতো পৰিমাণে কৃতকাৰ্য হৈছে। তাৰোপৰি জাতিপ্ৰথাৰ কুফলবিলাকক তেওঁ জনসাধাৰণৰ আগত ডাঙি ধৰাত সফল হৈছে।

## চতুৰ্বৰ্ণৰ সমালোচক হিচাবে আম্বেদকাৰ
## (Ambedkar as a Critic of Four Varnas)

ভাৰতীয় সমাজব্যৱস্থাত মানুহক ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ এই চাৰিটা বৰ্ণ বা শ্ৰেণীত চিহ্নিত কৰা হয়। ইয়াকে চতুৰ্বৰ্ণ বোলে। প্ৰত্যেক হিন্দুৰ মনত এই চাৰিটা বৰ্ণ সম্পৰ্কে কিছুমান নিৰ্দিষ্ট ধাৰণা আছে। আম্বেদকাৰৰ মতে ভাৰতীয়সকলক জন্মৰ ভিত্তিত উচ্চ-নীচ ভাবেৰে বিভাজিত কৰা হয়। তেওঁ এই চিহ্নিতকৰণৰ বিৰোধী আছিল। আম্বেদকাৰৰ মতে কোনো সমাজৰ মানুহক জন্মগত ভিত্তিত বিভিন্ন বৰ্ণত বিভক্ত কৰিব নোৱাৰি। এনে বিভাজন কেতিয়াও বিজ্ঞানসন্মত হ'ব নোৱাৰে।

আম্বেদকাৰে কৈছে যে সামাজিক ব্যৱস্থাত 'চতুৰ্বৰ্ণ' অসাধ্য, অনিষ্টকৰ আৰু দুখজনক। এনে ব্যৱস্থামতে সমাজব্যৱস্থাত ভাৰতীয় জনসাধাৰণে জন্মৰ ওপৰত ভিত্তি কৰি নিজৰ মৰ্যাদা লাভ কৰে। এই বিভাজনে মানুহৰ মাজত অনৈক্যৰ সৃষ্টি কৰে। আম্বেদকাৰৰ মতে বৰ্ণব্যৱস্থা কৃত্ৰিম আৰু অস্বাভাৱিক। তেওঁ আধুনিক বিজ্ঞানৰ উদাহৰণ দি কৈছে যে মানুহক কেইটামান নিৰ্দিষ্ট শ্ৰেণীত বিভক্ত কৰাটো এটা কৃত্ৰিম দৃষ্টিভংগী। এনে দৃষ্টিভংগীক কেতিয়াও গ্ৰহণ কৰিব নোৱাৰি। সেয়েহে চতুৰ্বৰ্ণ ব্যৱস্থাক সকলো ফালৰ পৰা সমালোচনা কৰিব পাৰি। চতুৰ্বৰ্ণ ব্যৱস্থাৰ আদিতে কিবা মূল্য থাকিলেও ক্ৰমান্বয়ে ইয়াক অসৎ উদ্দেশ্যত প্ৰয়োগ কৰা হৈছে যিটো কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে।

আম্বেদকাৰে আকৌ কৈছে যে 'চতুৰ্বৰ্ণ' বিশ্বাসৰ ফলস্বৰূপে জাতিভেদ প্ৰথাৰ জন্ম হৈছে। সেয়েহে এই অন্ধবিশ্বাসক মানুহৰ মনৰ পৰা আঁতৰ কৰিব লাগে। আম্বেদকাৰে "চতুৰ্বৰ্ণ" ব্যৱস্থাক এটা কুব্যৱস্থা বুলি আখ্যা দিছে। এই ব্যৱস্থাৰ গুৰিত কোনো বিজ্ঞানসন্মত যুক্তি নাই।

'চতুৰ্বৰ্ণ' তত্ত্ব মতে ব্ৰাহ্মণে জ্ঞানচৰ্চা কৰিব, ক্ষত্ৰিয়ই অস্ত্ৰধাৰণ কৰিব, বৈশ্যই বেহা-বেপাৰ কৰিব আৰু শূদ্ৰই আনৰ সেৱা কৰিব। দেখাত এই ব্যৱস্থাক শ্ৰমৰ বিভাজন যেন

লাগে। কিন্তু আচলতে এই বিভাজনৰ সৈতে মৰ্যাদাৰ প্ৰশ্নও জড়িত আছে। বৰ্ণ অনুসৰি ব্ৰাহ্মণ শ্ৰেণীয়ে প্ৰথম শ্ৰেণী, ক্ষত্ৰিয়সকলে দ্বিতীয় শ্ৰেণী, বৈশ্যসকলে তৃতীয় শ্ৰেণী আৰু শূদ্ৰসকলে চতুৰ্থ শ্ৰেণীৰ মৰ্যাদা ভোগ কৰে। বাস্তৱিকতে শূদ্ৰৰ কোনো মৰ্যাদা নাই বুলিলেও নহয়। কাৰণ, তেওঁলোক হ'ল ওপৰৰ তিনিটা শ্ৰেণীৰ সেৱকহে মাথোন। সেয়েহে এই তিনিটা শ্ৰেণীয়ে শূদ্ৰসকলক সকলো বিষয়তে নিয়ন্ত্ৰণ কৰে আৰু তেওঁলোকৰ অভিভাৱকৰ দৃষ্টিভঙ্গী গ্ৰহণ কৰে। আম্বেদকাৰৰ মতে 'চতুৰ্বৰ্ণ'-ৰ তত্ব অনুসৰি শূদ্ৰৰ তত্বাৱধানত থকা আন তিনিটা বৰ্ণক ইয়াৰ তত্বাৱধায়ক বুলি ক'ব পাৰি। যেতিয়া এই তিনিটা বৰ্ণই শূদ্ৰসকলক ভালদৰে ব্যৱহাৰ নকৰে তেতিয়া শূদ্ৰসকলৰ অৱস্থা শোচনীয় হৈ যায়। 'চতুৰ্বৰ্ণ' ব্যৱস্থাত ৰক্ষকে ভক্ষকৰ ভূমিকা গ্ৰহণ কৰে। ভাৰতবৰ্ষত শূদ্ৰ শ্ৰেণীয়ে এনে অৱস্থাৰ সন্মুখীন হ'বলগীয়া হৈছে।

আম্বেদকাৰে কৈছে যে ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্য এই তিনিওটা বৰ্ণই শূদ্ৰক দমন কৰিবলৈ একত্ৰিত হৈছিল। শূদ্ৰক জ্ঞান আহৰণ আৰু অস্ত্ৰধাৰণৰ পৰা বিৰত ৰখা হৈছিল। তেওঁলোকক কৃষক হ'বলৈ বাধ্য কৰোৱা হৈছিল। ইয়াৰ পিছত জীৱিকা-নিৰ্বাহৰ বাবে তেওঁলোকে কিছুমান নিম্ন ধৰণৰ কাম কৰিবলগা হৈছিল। শূদ্ৰসকলৰ এনে অৱস্থা হৈছিল যে তেওঁলোকে মুক্তিৰ বাবে কোনো চিন্তা কৰিব নোৱাৰিছিল।

আম্বেদকাৰ বৰ্ণব্যৱস্থাৰ ঘোৰ বিৰোধী আৰু কঠোৰ সমালোচক আছিল। এই ব্যৱস্থাত সুবিধাবাদী ওপৰৰ তিনিটা শ্ৰেণীয়ে শূদ্ৰসকলক নানাভাৱে শোষণ কৰি থাকে। শূদ্ৰসকলৰ প্ৰতিবাদ কৰাৰো কোনো ক্ষমতা নাই। সেয়েহে তেওঁ কৈছিল, "চতুৰ্বৰ্ণ ব্যৱস্থাতকৈ অধিক নিম্নখাপৰ আন কোনো সামাজিক ব্যৱস্থা নাই। গতিকে, ইয়াক নিৰ্মূল কৰা একান্ত প্ৰয়োজন।"

Scanned by CamScanner